**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 26 -06-2025**
**Time : 21-25 Hrs**

**ASSAMESE NIGHT BULLETIN**
**::::::::::::::::::::::::::::::::::::::::::::::::::**

২০২০ চনত স্বাক্ষৰিত বি টি আৰ চুক্তি ৰূপায়ণ সম্পৰ্কত আজি নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু চুক্তি স্বাক্ষৰ কৰা সংগঠনকেইটাৰ প্ৰতিনিধিবৰ্গৰ মাজত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়ৰ উত্তৰ-পূবৰ বাবে থকা যুটীয়া সচিব নিৰজ কুমাৰ বান্‌ছোড়ৰ অধ্যক্ষতাত নতুন দিল্লীৰ নৰ্থ-ব্লকত অনুষ্ঠিত এই বৈঠকত মন্ত্ৰণালয়ৰ উপ-সচিব এন আৰ মিন্‌ছ, অসম চৰকাৰৰ গৃহ বিভাগৰ সচিব পাৰ্থ মজুমদাৰ অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালকপ্ৰধান হীৰেণ নাথ আৰু বিটিচিৰ প্ৰধান সচিব আকাশদীপে চৰকাৰী পক্ষৰ হৈ অংশগ্ৰহণ কৰে। নিখিল বড়ো ছাত্ৰ সন্থা, প্ৰাক্তন এন ডি এফ বি আৰু ইউনাইটেড বড়ো পিপল্‌ছ অৰ্গেনাইজেচনক প্ৰতিনিধিত্ব কৰা ১০ গৰাকী সদস্যই আজিৰ বৈঠকত অংশগ্ৰহণ কৰে।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ জাতিংগা আৰু লামপুৰৰ মাজৰ ভূমিস্খলন হোৱা ৰে'লপথৰ পৰা শিল-বালিৰ আৱৰ্জনা আঁতৰোৱাৰ কাম যুদ্ধকালীন ক্ষিপ্ৰতাৰে চলি আছে। উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱে আজি ভূমিস্খলন হোৱা অঞ্চলটোত উপস্থিত হৈ কয়, যে বতৰ অনুকুল হ'লে অহা সোমবাৰৰ ভিতৰত এই পথেৰে আংশিকভাৱে ৰে'ল চলাচল পুনৰ আৰম্ভ কৰিব পৰা যাব। পূৰ্বৰ মিটাৰগেজ ৰে'লপথৰ ওপৰতে ব্ৰডগেজ ৰে'লপথ স্থাপন কৰাৰ ফলত এই ৰে'লপথছোৱাৰ কিছু কাৰিকৰী আঁসোৱাহ ৰৈ গৈছে। তেওঁ কয়, যে যে লংকাৰ পৰা শিলচৰ সংলগ্ন মইনাৰবন্দলৈ প্ৰায় ১৬০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন দ্বৈত ৰে'লপথ নিৰ্মাণৰ বাবে জৰীপ চলাই থকা হৈছে।

ooooo

উত্তৰ গুৱাহাটী নিৰ্মিয়মান জাইকা পানী যোগান প্ৰকল্পত আজি মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত হৈ অহা আগষ্ট মাহত ৰাইজে জাইকা পানী যোগান আঁচনিৰ পানী লাভ কৰিব বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰকল্পস্থলীত নিৰ্মাণ হৈ থকা গাৰ্ডৱালৰ কাম পৰ্যৱেক্ষণ কৰে। তেওঁ কয়, যে গাৰ্ডৱালৰ কাম চলি আছে যদিও আই আই টি গুৱাহাটীৰ অভিযন্তাৰ সম্পূৰ্ণ প্ৰতিবেদন লাভ কৰাৰ পাছতে উত্তৰ গুৱাহাটীৰ ৰাইজে জাইকাৰ পানী লাভ কৰিব বুলি সাংবাদিকক জানিবলৈ দিয়ে।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিত কুমাৰ দাসৰ উপস্থিতিত আজি বঙাইগাঁৱত অনুষ্ঠিত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ সভাত তিনিখন আঁচনিৰ হিতাধিকাৰীৰ নাম চূড়ান্ত কৰা হয়। মন্ত্ৰী শ্ৰীদাসে কয় যে সভাখনত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান, অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰু এটি কলি দুটি

পাত আঁচনিৰ হিতাধিকাৰীৰ নাম চূড়ান্ত কৰা হয়। এই সভাত সাংবদ ফণীভূষণ চৌধুৰী, বঙাইগাঁৱৰ বিধায়ক দিপ্তীময়ী চৌধুৰীকে ধৰি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস উদযাপন কৰা হৈছে। এইবছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে – 'সংক্ৰমণৰ অৱসান ঃ সকলোৰে বাবে প্ৰতিৰোধ, চিকিৎসা আৰু নিৰাময়'।

বিশ্বনাথ, ডিব্ৰুগড়, মাজুলী, শোণিতপুৰ, মৰিগাঁও জিলা, পশ্চিম কাৰ্বি আংলং, দৰং জিলা আৰু গোৱালপাৰা জিলাতো আন্তৰ্জাতিক মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। লখিমপুৰ জিলাতো আজি উত্তৰ-লখিমপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মাদক দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস পালন কৰা হয়। অনুষ্ঠানত জিলাখনৰ অতিৰিক্ত আয়ুক্ত, বিদ্যালয় পৰিদৰ্শক, ঔষধ পৰিদৰ্শক, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালককে আদি কৰি জিলাখনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত আৰু সমাজ কল্যাণ বিভাগৰ সহযোগত আজি  জিলাখনৰ বাসু গাঁও মহাবিদ্যালয়ত আন্তৰ্জাতিক মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস পালন কৰা হয়। বাসু গাঁও বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অধ্যক্ষ ড০ ৰনেন্দ্ৰ মুছাহাৰীৰ সভাপতিত্বত অনুষ্ঠিত সজাগতামূলক সভাৰ আৰম্ভণিতে ড্ৰাগছ সেৱন আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে দেশখনক ড্ৰাগছ মুক্ত কৰিবলৈ সমূহীয়া শপত গ্ৰহণ কৰা হয়।

বাক্সা জিলাৰ বৰমাত আজি বৰমা নাগৰিক সমাজ, বৰমা আৰক্ষী আৰু বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আন্তৰ্জাতিক মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উপলক্ষে হোৱা এখন সজাগতা সভাৰ পিছত এটা শোভাযাত্ৰাৰে ৰাইজক সজাগ কৰাৰ প্ৰয়াস কৰা হয়। ওদালগুৰিতো আজি জিলা প্ৰশাসন আৰু সমাজ কল্যাণ বিভাগৰ উদ্যোগত ওদালগুৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এই দিৱস উপলক্ষে আয়োজন কৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে ওদালগুৰি জিলাৰ সহকাৰী আয়ুক্ত উপস্থিত থাকে।

০০০০০

বজালীৰ জিলা সদৰ পাঠশালাত থকা ভট্টদেৱ বিশ্ববিদ্যালয়ত আজি এটা ভাৰতীয় জ্ঞান পৰম্পৰা কেন্দ্ৰ মুকলি কৰা হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ধনপতি ডেকাই এই কেন্দ্ৰটো উদ্বোধন কৰে। অনুষ্ঠানত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ ভাৰতীয় জ্ঞান পৰম্পৰা কেন্দ্ৰৰ মুৰব্বী অধ্যাপক উদয় এছ দীক্ষিতে ভাৰতীয় জ্ঞান পৰম্পৰাৰ প্ৰাসঙ্গিকতা সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়।

০০০০০

কামৰূপ জিলাৰ মিৰজাপুৰ অঞ্চলৰ ধৰ্মপ্ৰাণ মহিলা হৰিমতি মালীয়ে আজি শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেখেতৰ  বয়স আছিল ৯২ বছৰ।

০০০০০

সমাপ্ত